**উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ**
**নামভৰ্তি ২০২৩ বৰ্ষ**
**ডিমৰীয়া মহাবিদ্যালয়, ক্ষেত্ৰী**
**কামৰূপ (মঃ), অসম, ৭৮২৪০৩**
**ৱেবচাইট ঃ http://dimoriacollege.ac.in**
**ই-মেইল ঃ dimoriacollege.khetri@gmail.com**

**নামভৰ্তিকৰণৰ নিয়মাৱলীসমূহ ঃ-**

২০২৩-২৪ ইংৰাজী শিক্ষাবৰ্ষৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ (কলা আৰু বিজ্ঞান) নামভৰ্তিৰ বাবে ডিমৰীয়া মহাবিদ্যালয়ে আবেদন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে তলত উল্লেখ কৰা নিয়মাৱলী অনুসৰি আবেদন কৰিব লাগিব।

**পৰ্যায় ঃ (এক)**

ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ “**DARPAN**” প’ৰ্টেল অনুযায়ী আবেদন কৰিব লাগিব। তেওঁলোকে https://darpan.ahseconline.in ৰ যোগেদি ডিমৰীয়া মহাবিদ্যালয়ক বিকল্প হিচাপে নিৰ্বাচন কৰি আবেদন কৰিব লাগিব। এই প্ৰক্ৰিয়াতেই ছাত্ৰ-ছাত্ৰীয়ে Applicant Registration Number চমুকৈ ARN সংগ্ৰহ কৰিব লাগিব। এই প্ৰক্ৰিয়া ২৯-০৫-২০২৩ ৰ পৰা ০৯-০৬-২০২৩ ৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব।

**পৰ্যায় ঃ (দুই)**

দ্বিতীয় পৰ্যায়ত ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক “Tab”ৰ জৰিয়তে https://dimoriacollege.ac.in ত প্ৰৱেশ কৰি অনলাইন আবেদন পত্ৰ পৰিপূৰ্ণ কৰি জমা দিব লাগিব। ইয়াৰ বাবে তেওঁলোকে পূৰ্বে লাভ কৰা ARN সংখ্যা ব্যৱহাৰ কৰি আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। এইটো উল্লেখযোগ্য যে কোনো ধৰণৰ OFFLINE আবেদন গ্ৰহণযোগ্য নহ’ব।

ইয়াৰ উপৰি, ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা সঞ্চালকালয় (DHE) ৰ ৱেবচাইট https://dheonlineadmission.amtron.in/sp/ ৰ জৰিয়তে Unique ID তৈয়াৰ কৰি ল’ব লাগিব।

ডিমৰীয়া মহাবিদ্যালয় প’ৰ্টেলৰ জৰিয়তে জমা হোৱা আবেদন পত্ৰৰ ভিত্তিত Merit List প্ৰস্তুত কৰা হ’ব। যথা সময়ত Merit List মহাবিদ্যালয়ৰ ৱেবচাইটত প্ৰকাশ কৰা হ’ব।

অসম চৰকাৰৰ নিয়ম অনুসৰি আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হ’ব। যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে Extra Curricular/Differently Abled আদি কোটাৰ বাবে আবেদন কৰে তেতিয়াহ’লে অনলাইন আবেদন পত্ৰৰ বিশেষ অনুভাগত উল্লেখ কৰিব লাগিব। বিশেষভাৱে সক্ষম (Differently Abled) ছাত্ৰ-ছাত্ৰীয়ে প্ৰমাণপত্ৰৰ লগতে মহাবিদ্যালয়ৰ বৰ্ডৰ সন্মুখীন হ’ব লাগিব।

কাউন্সেলিং বা সাক্ষাৎকাৰৰ বাবে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীয়ে নিম্নলিখিত তথ্যসমূহ লগত আনিব লাগিব।

(ক) “**DARPAN**”ৰ আবেদন পত্ৰ
(খ) ডিমৰীয়া মহাবিদ্যালয়ৰ আবেদন পত্ৰ
(গ) ইউনিক (Unique ID)
(ঘ) প্ৰকৃত প্ৰমাণপত্ৰসমূহ
(ঙ) মাৰ্কশ্বীট
(চ) জাতিগত প্ৰমাণপত্ৰ (যাৰ ক্ষেত্ৰত প্ৰযোজ্য)
(ছ) উচ্চতৰ মাধ্যমিক পঞ্জীয়ন প্ৰমাণপত্ৰ